# চতুৰ্থ খন ভাৰত-চীন সীমা সম্পৰ্কীয় পৰামৰ্শ আৰু সহযোগিতাৰ কাৰ্য্যকৰী প্ৰক্ৰিয়া বৈঠক ।

চেপ্তেম্বৰ ৩০,২০১৩

১. ভাৰত-চীন সীমা সম্পৰ্কীয় চতুৰ্থ খন পৰামৰ্শ আৰু সহযোগিতাৰ কাৰ্য্যকৰী প্ৰক্ৰিয়া (Working Mechanism) সন্দৰ্ভত বৈঠক ২৯-৩০ চেপ্তেম্বৰ,২০১৩ তাৰিখে বিইজিঙত অনুষ্ঠিত হয় ।বহি:পৰিক্ৰমা মন্ত্ৰনালয়ৰ যুটিয়া সচিব(পূৱ এছিয়া)শ্ৰী গৌতম বাম্বাৱালেৰ নেতৃত্বত যোৱা ভাৰতীয় প্ৰতিনিধিৰ দলটোত বিদেশ মন্ত্ৰনালয়ৰ প্ৰতিনিধিৰ উপৰিও সুৰক্ষা মন্ত্ৰনালয় আৰু ভাৰত-তীৰ্ব্বত সীমা আৰক্ষীৰ প্ৰতিনিধিও আছিল ।চীনৰ প্ৰিতিনিধি দলটোক নেতৃত্ব দিয়া বৈদেশিক মন্ত্ৰনালয়ৰ,সীমা আৰু সামুদ্ৰিক পৰিক্ৰমা বিভাগৰ সঞ্চালক প্ৰধান শ্ৰী ঔভাঙ য়ুজিঙৰ(Ouvang Yujing)দলটোত বৈদেশিক মন্ত্ৰনালয়ৰ প্ৰিতিনিধি সকল আৰু পিপ'লচ ৰিপাব্লিক অৱ চীনৰ ৰাষ্ট্ৰীয় সুৰক্ষাৰ প্ৰতিনিধি সকল উপস্থিত থাকে । উপ-বৈদেশিক মন্ত্ৰী শ্ৰী ঝেনমিনক(Liu Zhenmin) ভাৰতীয় প্ৰতিনিধি দলটোৱে সাক্ষাৎ কৰে । এক স্পষ্ট ,গঠনমুলক আৰু আগলৈ চোৱাৰ বাতাবৰনৰ মাজত আলোচনা অনুষ্ঠিত হয় ।শেহতীয়া ভাৱে ভাৰত-চীনৰ সীমাত বিশেষকৈ পশ্চীম অংশত উদ্ভৱ হোৱা পৰিস্থিতৰ পৰ্য্যালোচনা কৰোতে দুযোপক্ষই সন্মতি প্ৰকাশ কৰে যে ভাৰত-চীনৰ সীমান্তত শান্তি আৰু নিৰিবিলতাৰ ভিত্তিতহে ভাৰত-চীনৰ মাজৰ সীমা সম্বন্ধৰ প্ৰসাৰতা সম্ভৱ । এই পৰ্যায়ত দুয়োপক্ষই সীমাত স্থিৰতা বাহাল ৰাখিবৰ বাবে,দুয়োপক্ষৰ মাজৰ বুজাপৰাক আৰু প্ৰস্তুতি সমুহক সুগঠিত কৰিবলৈ প্ৰয়োজনীয় আন্যান্য পদক্ষেপ সমুহৰ সন্দৰ্ভত আলোচনা কৰে ।

পঞ্চমথন কাৰ্য্যকৰী প্ৰক্ৰিয়া বৈঠক ভাৰতত দুয়োপক্ষৰ বাবে এটা উপযুক্ত সময়ত আনুষ্ঠিত কৰা হব ।

নতুন দিল্লী

চেপ্তেম্বৰ ৩০,২০১৩